# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
000000000

**Date :** 21-02-2025
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::***

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দায়িত্বত থকা মন্ত্ৰী কেশৱ মহন্তক বিভাগটোৰ ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰীৰ প্ৰস্তাৱ উত্থাপনৰ বাবে নিৰ্দেশ দিয়ে। কিন্তু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কংগ্ৰেছৰ সাংসদগৰাকীক আক্ৰমণৰ বিষয়টো উত্থাপন কৰি এই সন্দৰ্ভত আলোচনাৰ বাবে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই ঘটনাৰ বিষয়ত পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰি সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ বিৰোধী সদস্যসকলক আহ্বান জনায়। বিৰোধী সদস্যসকলে এই ঘটনাৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয় জড়িত হৈ আছে বুলি উল্লেখ কৰি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত অধ্যক্ষই দহ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে। সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ বিষয়টো পুনৰ সদনত উত্থাপন কৰাত কংগ্ৰেছৰ সদস্যসকলে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়ায়। বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই পুনৰ পাঁচ মিনিটৰ বাবে সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখে।

দ্বিতীয়বাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত মন্ত্ৰী কেশৱ মহন্তই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰে যদিও পৰিস্থিতি উন্নত নোহোৱাত সেই সময়ত এই বিষয়ে আলোচনা কৰিব পৰা নহ'ল। কংগ্ৰেছৰ সদস্যসকলে এগৰাকী জনপ্ৰতিনিধিক দিনদুপৰতে আক্ৰমণৰ ঘটনাক উদ্বেগজনক বুলি উল্লেখ কৰি বিষয়টোলৈ আলোচনা কৰাৰ দাবীত অটল হৈ থাকে। অধ্যক্ষই গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা সম্প্ৰতি ৰাজ্যৰ বাহিৰত থকাৰ বাবে এই বিষয়টোক লৈ পৰৱৰ্তী সময়ত আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। শাসক-বিৰোধীৰ মাজত এই বিষয়টোলৈ বাক-বিতণ্ডা চলি থকাৰ সময়তে মন্ত্ৰী পীযুষ হাজৰিকাই সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণৰ অভিযোগত আৰক্ষীয়ে দহজন লোকক চিনাক্ত কৰাৰ কথা উল্লেখ কৰে।

আৰক্ষীয়ে আইন অনুযায়ী এই অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব। এই ঘটনাক কেন্দ্ৰ কৰি আজি ৰাজ্যখনৰ বিভিন্ন স্থানত আজি কংগ্ৰেছ কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ বাতৰি পোৱা গৈছে। ইপিনে, আক্ৰমণৰ বলী হোৱা কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি দুপৰীয়া নগাঁও সদৰ আৰক্ষী থানাত এই ঘটনা সংক্ৰান্তত এটা গোচৰ ৰুজু কৰে। গোচৰত ২২জন লোকৰ নাম উল্লেখ কৰা হৈছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধানসভা সমষ্টিৰ মণ্ডল সমিতিৰ বিষয়ববীয়া, শক্তিকেন্দ্ৰৰ আহ্বায়ক আৰু বুথ পৰ্যায়ৰ সভাপতি-সম্পাদকসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে এখন বৈঠকত অংশগ্ৰহণ কৰে।

বৈঠকত মন্ত্রীগৰাকীয়ে সাংগঠনিক দিশ সন্দৰ্ভত আলোচনা কৰাৰ উপৰি অহা ২৩ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত কাৰ্যসূচী সকলো বুথতে প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। ডাঃ পেগুৱে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় সন্দৰ্ভতো ধেমাজিৰ জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ বৈঠকত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। জিলাখনত ইতিমধ্যে ভোটগ্ৰহণ কেন্দ্ৰ পৰ্যায়ৰ সমিতিসমূহে এই আঁচনিৰ বাবে ৯০ হাজাৰ ৫২৩ টা পৰিয়াল চিনাক্ত কৰিছে।

০০০০

তিনিচুকীয়া জিলা আৰক্ষীয়ে আজি মাকুমত অভিযান চলাই ড্ৰাগছসহ এটা সৰবৰাহকাৰীক আটক কৰে। তিনিচুকীয়াৰ বৰগুৰিৰ মিছিং গাঁৱৰ পবিত্ৰ মৰাণ বুলি চিনাক্ত কৰা সৰবৰাহকাৰীটোৰ বাসগৃহৰ পৰা ১০ লাখৰো অধিক টকা জব্দ কৰা হয়। তেওঁৰ বাসগৃহত চলোৱা অভিযানত আৰক্ষীয়ে ভালেমান সোণৰ গহনাপাতিও জব্দ কৰিছে।

০০০০

লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত সন্থাৰ পতাকা উত্তোলন কৰাৰ পাছত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰত চিকিৎসা মহাবিদ্যালয়খনৰ ভালেমান কৰ্মচাৰীয়ে ৰক্তদান কৰে।

০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ পদৰ বাবে চিনঠং সমষ্টিৰ এম এ চি অভিজিত ক্ৰ'য়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। বিধায়িনী দপ্তৰৰ যুটীয়া সচিবৰ হাতত মনোনয়ন দাখিল কৰাৰ সময়ত তেওঁৰ সৈতে স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাম, সাংসদ অমৰ সিং টিছো, কেইবাগৰাকী কাৰ্যবাহী সদস্য আৰু এম এ চি উপস্থিত থাকে। অহা ২৪ ফেব্ৰুৱাৰীত পৰিষদৰ চেছন হলত উপাধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। বিগত বৰ্ষৰ অক্টোবৰ মাহত উপাধ্যক্ষ  অজিত কুমাৰ দে'ৰ মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত এই পদটো খালী হৈ আছিল।

০০০০

অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৯ হাজাৰৰো অধিক চাহ জনগোষ্ঠীৰ শিল্পীয়ে এই অনুষ্ঠানত ভাগ লৈছে। এই অনুষ্ঠানৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয় আৰু সৰুসজাইত প্ৰৱেশ পত্ৰ দি থকা হৈছে। আগ্ৰহীসকলে এই তিনিও স্থানৰ পৰা প্ৰৱেশ পত্ৰসমূহ সংগ্ৰহ কৰিব পাৰিব। ২৩ ফেব্ৰুৱাৰীত ঝুমুৰৰ অন্তিম আখৰা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সেইদিনা প্ৰৱেশপত্ৰ নোহোৱাকৈ এই আখৰা উপভোগ কৰিবৰ বাবে জনসাধাৰণক আহ্বান জনাইছে।

০০০০

সমাপ্ত